باللغة الآسامية



حجّي

মোৰ হজ্জ

হজ্জৰ আৰকান, কৰণীয় আৰু তাৰ বিধান

إعداد

ياسر بن محمد الفهيد

راجعه

فضيلة الشيخ الدكتور

سعد بن تركي الخثلان

عضو هيئة كبار العلماء

ترجمة:

رفيق الاسلام بن حبيب الرحمن

অনুবাদঃ

ৰফিকুল ইছলাম বিন হাবিবুৰ ৰহমান দৰঙী

দাৰুত তাওহীদ লিত্ তালীফ অত্তার্জামাহ

বলোগড়া, নিজ খাৰুপেটীয়া দৰং অসম

1436-2015

হজ্জৰ আৰকান আৰু কৰণীয় সমূহৰ তালিকা আৰু তাৰ বিধান				
কৰণীয়	নং	হুকুম	কাম সমূহ	কামটো পৰিত্যাগ কাৰীৰ বিধান
(৮ম দিন। ইয়াউমুত তাৰৱিয়াহ) নুছুকত প্ৰৱেশ কৰাৰ নিয়ত কৰি ইহৰাম পৰিধান কৰা।	১	ছুন্নত	নুছুকত প্ৰৱেশ কৰাৰ আগতে গুছল আৰু পৰিস্কাৰ পৰিছন্ন হৈ সুগন্ধি ব্যৱহাৰ কৰিব। সুগন্ধি কেৱল পুৰুষৰ বাবে।	কোনো ক্ষতি পূৰণ নাই।
	২	ছুন্নত	পুৰুষে ইহৰামত চিলাইবিহীন দুটা পৰিস্কাৰ কাপোৰ পৰিধান কৰিব। আৰু মহিলাই সৌন্দৰ্য প্ৰদৰ্শন নোহোৱা যিকোনো কাপোৰ পৰিধান কৰিব পাৰে।	কোনো ক্ষতি পূৰণ নাই।
	৩	ওৱাজিব	তামাত্তু কাৰীৰ বাবে সূর্যস্ত যোৱাৰ আগতেই তেওঁ যি ঠাইত অৱস্থান কৰিছে তাৰ পৰাই ইহৰাম পৰিধান কৰিব আৰু ‘লাব্বাইকা হাজ্জান’ বা ‘আল্লাহুম্মা লাব্বাইকা হাজ্জান’ কৈ নিয়ত কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	৪	ছুন্নত	হজ্জ সম্পন্ন কৰিব নোৱাৰাৰ কোনো আশংকা থাকিলে যেনে বেমাৰ-আজাৰ ইত্যাদি তেনেহ’লে এই বুলি নিয়ত কৰিব, “আল্লাহুম্মা লাব্বাইকা হাজ্জান ফা-ইন হাবাছানী হাবিছ, ফা-মাহাল্লী হাইছু হাবাস্তানী”। আৰু যদি এনে কোনো আশংকা নাথাকে তেন্তে এইদৰে নিয়ত কৰা ছুন্নত নহয়।	কোনো ক্ষতি পূৰণ নাই। চাওক নং ১ টোকা
	৫	ছুন্নত	নুছুকত প্ৰৱেশ কৰাৰ পিছত বেছি বেছি তালবিয়াহ পাঠ কৰিব। পুৰুষ সকলে উচ্চস্বৰে পাঠ কৰিব।	কোনো ক্ষতি পূৰণ নাই। চাওক ২ নং টোকা।
	৬		মীনাত অৱস্থান কৰিব আৰু ৪ ৰাকাত বিশিষ্ট ছালাতবোৰ কছৰ কৰিব। জমা নকৰিব।	
নৱম দিনঃ (ইয়াউমে আৰাফা। মুজদালিফাৰ ৰাতি।	৭	ছুন্নত	সূর্য উদয় হোৱাৰ পিছত তালবিয়া কৈ আৰাফাৰ ফালে গমন কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	৮	ছুন্নত	মনোযোগ সহকাৰে খুতবা শুনিব তাৰ পিছত আওৱাল ওৱাক্তত জুহৰ আৰু আছৰ জমা কৰি কছৰ আদায় কৰিব। আজান এটা ইক্বামত দুটাৰে।	কোনো ক্ষতি পূৰণ নাই।
	৯	ছুন্নত	কিবলা সন্মুখ হৈ দুয়ো হাত উত্তোলন কৰি বিনম্ৰতাৰে অন্তৰ খুলি দুআ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	১০	ওৱাজিব	সূর্যস্ত লৈকে আৰাফাত অৱস্থান কৰিব।	চাওক ৩নং টোকা।
	১১	বৈধ	বাতনে আৰাফাৰ বাহিৰে যিকোনো	কোনো ক্ষতি
			ঠাইত অৱস্থান কৰিব পাৰে। নবী চল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ মই ইয়াত থিয় দিছো, জানি থোৱা আৰাফাহ গোটেই খিনি থিয় হোৱাৰ ঠাই কিন্তু বাতনে আৰাফাৰ পৰা ওপৰত থাকিবা।	পূৰণ নাই।
	১২	ছুন্নত	সূর্যস্ত যোৱাৰ পিছত ধিৰ স্থিৰে মুজদালিফাৰ ফালে ৰাওৱানা হ’ব।	কোনো ক্ষতি পূৰণ নাই।
	১৩	মকৰূহ	হাজি সকলৰ বাবে আৰাফাৰ চওম পালন কৰা মকৰূহ। কিন্তু যাৰ কোৰবানী নাই তাৰ বাবে বৈধ।	কোনো ক্ষতি পূৰণ নাই।
	১৪	ছুন্নত	মুজদালিফাত উপস্থিত হৈ এক আজান আৰু দুই ইকামতসহ মাগৰিব আৰু ইশ্বা ছালাত জমা কৰি কছৰ আদায় কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	১৫	ওৱাজিব	মুজদালিফাত ৰাতি অতিবাহিত কৰিব। মাজ ৰাতি লৈ অৱস্থান কৰা ওৱাজিব।	দম (ক্ষতি পূৰণ) দিব লাগিব।
	১৬	ছুন্নত	মুজদালিফাত ফজৰ লৈকে ৰাতি অতিবাহিত কৰিব। ফজৰ ছালাত আদায় কৰি দিন উজ্জল নোহোৱা লৈকে বহি থাকি দুআ কৰিব। কাৰণ নবী চল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বর্ণিত আছে যে তেখেত মুজদালিফাত কিবলা সন্মুখ হৈ দুআ কৰিছিল তকবীৰ, তাহলীল আৰু তৌহীদ পাঠ কৰিছিল। (মুছলিম)	কোনো ক্ষতি পূৰণ নাই।
	১৭	বৈধ	দুর্বল মানুহ আৰু মহিলা সকল লগতে তেওঁলোকৰ তত্বাৱধায়ক সকল মাজ ৰাতি শুচি যাব পাৰে।	কোনো ক্ষতি পূৰণ নাই।
১০ম দিন (ইয়াউমুন নাহৰ) ঈদৰ দিন	১৮	ছুন্নত	সূর্য উদয় হোৱাৰ আগতে মিনা লৈ ৰাওৱানা হ’ব। যাওঁতে বেছি বেছি দুআ কৰিব আৰু তালবিয়া পাঠ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	১৯	ছুন্নত	মুজদালিফাৰ পৰা মিনা লৈ যাওঁতে যিকোনো ঠাইৰ পৰা ৭টা সৰু (বুট মাহৰ দৰে) শিল শুটি উঠাই লব।	কোনো ক্ষতি পূৰণ নাই।
	২০	ওৱাজিব	৭ টা শিল শুটি জামৰাতুল আক্বাবালৈ দলিয়াব।	দম (ক্ষতি পূৰণ) দিব লাগিব
	২১	ছুন্নত	কাবা বাওঁ ফালে কৰি আৰু মিনা সোঁ ফালে লৈ এটাৰ পিছত এটাকৈ অব্যাহত ভাৱে ৭টা শিলগুটি দলিয়াব। প্ৰত্যেকটো শিলগুটি দলিয়াওঁতে আল্লাহু আকবাৰ ক’ব।	কোনো ক্ষতি পূৰণ নাই।

			তালবিয়া নক’ব।	
	২২	ওৱাজিব	তামাত্তুকাৰীৰ বাবে কোৰবানী কৰা আৰু ইয়াৰ সময় হৈছে ঈদৰ দিনৰ পৰা আয়্যামে তাশ্বৰীকৰ তৃতীয় দিনৰ সূর্যস্ত যোৱাৰ আগ মুহূর্ত লৈকে। মক্কা আৰু মিনা উভয় ঠাইৰ মাজত যিকোনো ঠাইত কৰা বৈধ।	চাওক ৪ নং টোকা।
	২৩	ওৱাজিব	মূ�ৰ খুৰুৱা বা চুলি চুটি কৰা। মূৰ খুৰুৱা ভাল কাৰণ নবী চল্লল্লাহু আলাইহি অছাল্লামে ইয়াকে অগ্রাধিকাৰ দিছিল। মহিলা সকলে আঙুলিৰ এক পুৰ পৰিমান চুলি কাটিব।	দম (ক্ষতি পূৰণ)দিব লাগিব।
	২৪	ওৱাজিব	ইজতিবা আৰু ৰমল নকৰাকৈ তাৱাফে ইফাজা কৰা। ভ্রমন কৰা সময় লৈকে পলম কৰাত কোনো অসুবিধা নাই। তাৱাফে বিদা কৰিলেও যথেষ্ট।	হজ্জ মুকাম্মল নহ’ব।
	২৫	ছুন্নত	ৰামি (শিলগুটি দলিওৱা) আৰু মূৰ খুৰুৱাৰ পিছত যদি তাৱাফে ইফাজা কৰিবলৈ মক্কা যাব বিচাৰে তেন্তে সুগন্ধি ব্যৱহাৰ কৰিব।	কোনো ক্ষতি পূৰণ নাই।
	২৬	ওৱাজিব	হজ্জৰ ছাঈ আদায় কৰা।	হজ্জ মুকাম্মল নহ’ব।
	২৭	হালাল	পুৰুষৰ বাবে উপৰোক্ত তিনিটা (শিলগুটি দলিওৱা, মূৰ খুৰুৱা আৰু তাৱাফ) কামৰ যিকোনো দুটা কৰিলে স্ত্রীৰ বাহিৰে সকলো বস্তু হালাল হৈ যায়। ইয়াক কোৱা হয় প্রথম হালাল আৰু তিনিওটা কাম কৰাৰ পিছত সম্পুর্ণ হালাল হৈ যায়।	কোনো ক্ষতি পূৰণ নাই।
	২৮	ওৱাজিব	মিনাত ৰাতি অতিবাহিত কৰিব। ওৱাজিব সময়ৰ পৰিমান অর্ধ ৰাতিতকৈ বেছি।	দম (ক্ষতি পূৰণ) দিব লাগিব।
	২৯	ছুন্নত	ঈদৰ দিনা জামৰাতুল আক্বাবাত শিলগুটি দলিওৱাৰ পিছত হাজি সকলে তকবীৰ পঢ়া আৰম্ভ কৰিব। এইটো শেষ হ’ব ১৩ তাৰিখে আছৰৰ পিছত।	কোনো ক্ষতি পূৰণ নাই।
	৩০	বৈধ	এই কাম সমূহ অগা পিছাকৈ কৰিলেও কোনো ক্ষতি নাই। (শিলগুটি দলিওৱা, কোৰবানী কৰা, মূৰ খুৰুৱা আৰু তাৱাফ) কাৰণ নবী চল্লল্লাহু আলাইহি অছাল্লামে কৈছেঃ কৰা, কোনো অসুবিধা নাই।	কোনো ক্ষতি পূৰণ নাই।
	৩১	ছুন্নত	মিনাত চাৰি ৰাকাত বিশিষ্ট ছালাত সমূহ জমা নকৰি কছৰ পঢ়িব।	কোনো ক্ষতি পূৰণ নাই।
১১-১২ আৰু ১৩ নং দিনঃ (আয়্যামুত তাশ্বৰীক)	৩২	ছুন্নত	ফৰজ ছালাত সমূহৰ পিছত তকবীৰ পঢ়া।	কোনো ক্ষতি পূৰণ নাই।
	৩৩	ওৱাজিব	জামৰা ছুগৰা তাৰ পিছত জামৰা উস্তা তাৰ পিছত জামৰা কুবৰা লৈ শিল গুটি দলিওৱা।	দম (ক্ষতি পূৰণ) দিব লাগিব।
	৩৪	ছুন্নত	প্রত্যেক জামাৰাতত এটাৰ পিছত এটাকৈ অব্যাহত ভাৱে ৭টা শিলগুটি দলিয়াব। প্রত্যেকটো শিলগুটি দলিয়াওঁতে আল্লাহু আকবাৰ ক’ব। আবেলি শিলগুটি দলিওৱা ছুন্নত আৰু অন্তিম সময় ফজৰৰ আগ মূহুর্ত লৈকে।	কোনো ক্ষতি পূৰণ নাই।
	৩৫	ছুন্নত	জামৰা ছুগৰাত শিলগুটি দলিওৱাৰ পিছত সৌ ফালে অলপ আগুৱাই যাই কিবলা অভিমুখি হৈ দুয়ো হাত উত্তোলন কৰি দির্ঘ সময় দুআ কৰা।	কোনো ক্ষতি পূৰণ নাই।
	৩৬	ছুন্নত	জামৰা ছুগৰাত শিলগুটি দলিওৱাৰ পিছত বাওঁ ফালে অলপ আগুৱাই যাই কিবলা অভিমুখি হৈ দুয়ো হাত উত্তোলন কৰি দির্ঘ সময় দুআ কৰা।	কোনো ক্ষতি পূৰণ নাই।
	৩৭	ছুন্নত	কাবা বাওঁ ফালে আৰু মিনা সৌ ফালে লৈ জামাৰাতুল আক্বাবাত শিলগুটি দলিয়াব আৰু তাৰ পিছত দুআ নকৰিব।	কোনো ক্ষতি পূৰণ নাই।
	৩৮	ওৱাজিব	অর্ধ ৰাতিতকৈ অধিক সময় মিনাত অতিবাহিত কৰিব।	দম (ক্ষতি পূৰণ) দিব লাগিব।
	৩৯	ছুন্নত	১৩ নং দিন লৈকে অৱস্থান কৰিব। ১২ নং দিনতো আগতিয়াকৈ গুচি অহা বৈধ।	কোনো ক্ষতি পুৰণ নাই। চাওক ৬ নং টোকা।
	৪০	ওৱাজিব	আগতিয়াকৈ যাব বিছৰা ব্যক্তিৰ ওপৰত জামাৰাত সমূহত শিলগুটি দলিওৱা ওৱাজিব আৰু ১২ নং দিনৰ সূর্যস্ত যোৱাৰ আগতেই মিনা ত্যাগ কৰা ওৱাজিব।	
	৪১	ওৱাজিব	ঋতুৱতী আৰু নিফাছ গ্রস্থ মহিলা সকলৰ বাহিৰে বাকি সকলে তাৱাফে বিদা আদায় কৰা। কাৰণ নবী চল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ শেষ তাৱাফ নকৰাকৈ তোমালোকৰ কোনেও যাতে উভতি নাযায়।	দম (ক্ষতি পূৰণ) দিব লাগিব।

আপোনাৰ সুবিধানুযায়ী আপুনি হজ্জে ইফৰাদ বা হজ্জে ক্বিৰান অথবা হজ্জে তামাত্তু কৰিব পাৰে। হজ্জে ইফৰাদ আৰু হজ্জে ক্বিৰানৰ মাজত দুটা বস্তুৰ পার্থক্য আছে।

১) হজ্জে ইফৰাদৰ নিয়ত কৰোঁতে ক’ব “লাব্বাইকা হাজ্জান” আনহাতে হজ্জে ক্বিৰানত ক’ব “লাব্বাইকা ওমৰাতান অহাজ্জান”।

২) হজ্জে ইফৰাদত কোৰবানী নাই কিন্তু হজ্জে ক্বিৰানত কোৰবানী আছে যেনেকে তামাত্তুত কোৰবানী আছে।

ইহৰাম অৱস্থাৰ নিষিদ্ধ কাম সমূহঃ

ক্রমঃ	নিষিদ্ধ কাম সমূহঃ
১	মূৰ আদিৰ চুলি খুৰুৱা
২	নখ কটা
৩	আতৰ-সুগন্ধি ব্যৱহাৰ কৰা
৪	স্ত্রী আলিঙ্গন কৰা
৫	চিকাৰ কৰা
৬	বিবাহৰ আকদ কৰা
৭	সহবাস কৰা
৮	চিলাই কৰা কাপোৰ পৰিধান কৰা (পুৰুষৰ বাবে নিষিদ্ধ)
৯	মূৰ ঢাকি ৰখা (পুৰুষৰ বাবে নিষিদ্ধ)
১০	নেক্বাব পৰিধান কৰা (মহিলাৰ বাবে নিষিদ্ধ)
১১	Gloves বা হাত মুজা পৰিধান কৰা (মহিলাৰ বাবে নিষিদ্ধ)

১) চর্ত কৰা থাকিলে কোনো কাৰণে হজ্জ আদায় কৰিব নোৱাৰিলে তাৰ বাবে দম (জৰিমনা স্বৰূপ ছাগলী এটা জবেহ কৰিব) নালাগিব। আৰু যদি চর্ত কৰা নাই তেনেহ’লে তাৰ হুকুম বাধাপ্রাপ্ত লোকৰ দৰে।

২) তালবিয়াঃ লাব্বাইকা আল্লাহুম্মা লাব্বাইক, লাব্বাইকা লা শ্বাৰীকা লাকা লাব্বাইক, ইন্নাল হামদা অন্নি’মাতা লাকা অলমুলক, লা শ্বাৰীকা লাক।

৩) যিয়ে আৰাফাত অৱস্থান নকৰিব তাৰ হজ্জ নহ’ব আৰু যিয়ে সূর্যস্ত যোৱাৰ আগতে গুচি যাব তাৰ দম (ক্ষতি পূৰণ) দিব লাগিব।

৪) যাৰ কোৰবানী কৰাৰ সক্ষম নাই তেওঁ হজ্জৰ তিনি দিন চওম পালন কৰিব আৰু ইয়াৰ বাবে উত্তম তিনিটা দিন হৈছে ১১-১২-১৩ তাৰিখ বাকি ৭টা ঘৰলৈ উভতি যোৱাৰ পিছত কৰিব।

৫) তকবীৰঃ আল্লাহু আকবাৰ, আল্লাহু আকবাৰ, লা ইলা-হা ইল্লাল্লাহ, অল্লাহু আকবাৰ, আল্লাহু আকবাৰ, অলিল্লাহিল হামদ।

৬) যদি সূর্যস্ত যোৱাৰ আগতে মিনাৰ পৰা নোলায় তেন্তে অৱস্থান কৰা বাঞ্চনীয়।

❖ এই খিনিতে হজ্জৰ বর্ণনা সমাপ্ত কৰিছোঁ। আল্লাহৰ ওচৰত দুআ কৰিছোঁ তেওঁ আপোনাৰ হজ্জ কবুল কৰক। লগতে আপোনাৰ আৰু আমাৰ নেক আমল সমূহ আল্লাহৰ ওচৰত গৃহিত হওঁক। আপোনাৰ নেক দুআত আমাক নাপাহৰিব।